দৈনিক অগ্রদূত

যোৰহাট, ২৭ এপ্ৰিল, ২০১৮ শুকুৰবাৰ পৃষ্ঠা তিনি

স্কুলীয়া ছাত্ৰীক অপহৰণৰ সন্দেহ ঃ আত্মীয় ভাতৃক গ্ৰেপ্তাৰ

মহানগৰ বার্তা

গুৱাহাটী, ২৬ এপ্ৰিল ঃ মহানগৰীৰ গীতানগৰস্থিত মডার্ণ হায়াৰ ছেকেণ্ডাৰী স্কুলৰ এগৰাকী ছাত্ৰীক অপহৰণৰ অভিযোগত ছাত্ৰীগৰাকীৰ এজন আত্মীয় ভাতৃ গ্ৰেপ্তাৰ হৈ কাৰাগাৰৰ অতিথি হ'বলগীয়া হ'ল। যোৱা ২৪ এপ্ৰিলৰ পুৱা ছাত্ৰীগৰাকীয়ে নুনমাটিস্থিত ঘৰৰ পৰা বাছেৰে বিদ্যালয়লৈ বুলি ওলাই অহাৰ কিছু সময়ৰ পাছতে সন্ধানহীন হয়। তেওঁক সম্বন্ধীয় ভ্ৰাতৃজনে অপহৰণ কৰা বুলি পাছত ছাত্ৰীগৰাকীৰ পৰিয়ালে আৰক্ষীক গোচৰ দিয়ে। আৰক্ষীয়ে তদন্ত কৰি ঘটনাৰ দিনা সন্ধিয়া ছাত্ৰীগৰাকীক উদ্ধাৰ কৰাৰ লগতে অভিযুক্তজনক গ্ৰেপ্তাৰ কৰে। *আঠ পৃষ্ঠাত চাওক*

বিদ্যালয় গৃহত পাঠ গ্ৰহণত ব্যাঘাত ঃ সহস্ৰাধিক গৃহহীন

বিভিন্ন স্থানত ধুমুহাত বিস্তৰ ক্ষতিসাধন

কৃষ্ণাইত ধুমুহাত উৰি গ'ল বিদ্যালয়ৰ টিনপাত, বৃহস্পতিবাৰে।

অগ্রদূত বার্তা

নদুৱাৰ/গৰৈমাৰী/দেৱগাঁও/গৌৰীসাগৰ, ২৬ এপ্ৰিল ঃ ৰাজ্যৰ বিভিন্ন প্ৰান্তত কালি দুপৰীয়া আৰু নিশা হোৱা প্ৰচণ্ড ধুমুহাই বিস্তৰ ক্ষতিসাধন কৰে। নদুৱাৰ, গৰৈমাৰী, দেৱগাঁও আদি অঞ্চলত ধুমুহাই বহু পৰিয়ালৰ ঘৰ-দুৱাৰ উৰুৱাই নিয়াৰ লগতে গছ-গছনি উভালি পেলায়। আনহাতে, ঠায়ে ঠায়ে বহু দিব্যালয়ৰ টিনপাত উৰুৱাই নিয়াৰ লগতে বিদ্যালয় গৃহৰ ক্ষতিসাধন কৰে। একেদৰে বহু ঠাইত বিদ্যুতৰ খুঁটা উভালি পৰাত বিদ্যুৎ সংযোগ ব্যাহত হয়।

শোণিতপুৰ জিলাৰ নদুৱাৰ অঞ্চলটোত কালি সন্ধিয়া অহা প্ৰচণ্ড ধুমুহাই অঞ্চলটোৰ ৰাইজৰ বিস্তৰ ক্ষতিসাধন কৰাৰ লগতে কে'বাখনো বিদ্যালয়ৰ নৱ নিৰ্মিত গৃহৰ বাৰাণ্ডাৰ টিনপাত উৰুৱাই নিয়ে। অঞ্চলটোৰ টুপিয়া পাঁচগাঁও একাডেমী স্কুলৰ ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান আঁচনিৰ অধীনত প্ৰায় ২৯ লাখ টকা ব্যয় সাপেক্ষে দুবছৰ পূৰ্বে নিৰ্মাণ কৰা বিদ্যালয় গৃহটোৰ বাৰাণ্ডাখন বতাহে ভাঙি পেলোৱাৰ ফলত তিনিটাকৈ শ্ৰেণীৰ পাঠদান ব্যাহত হৈছে। বিদ্যালয়খনৰ নৱম, দশম শ্ৰেণী আৰু পৰীক্ষাগাৰ হিচাপে ব্যৱহাৰ কৰি অহা কোঠাসমূহৰ শীঘ্ৰে মেৰামতি *আঠ পৃষ্ঠাত চাওক*

অভিযুক্তৰ আৰক্ষী থানাত আত্মসমৰ্পণ

নগাঁৱৰ উৰিয়াগাঁৱত চুলাই ঘাটিত মহিলাক ঘপিয়াই হত্যা

বিশেষ সংবাদদাতা

নগাঁও, ২৬ এপ্ৰিল ঃ নগাঁও নগৰৰ পাৰ্শ্ববৰ্তী উৰিয়াগাঁৱত যোৱা নিশা এঘৰৰ অবৈধ চুলাই ঘাটিত এক হত্যাকাণ্ড সংঘটিত হয়। গোবিন ৰবদলৈ নামৰ লোকজনৰ ঘৰত থকা এই চুলাই ঘাটিত একে গাঁৱৰে প্ৰমোদ বণিয়া নামৰ যুৱকজনে ৰবদলৈৰ পত্নীক কুঠাৰেৰে ঘপিয়াই হত্যা কৰে। আজি প্ৰমোদে নগাঁৱৰ ইটাচালি আৰক্ষী চকীত আত্মসমৰ্পণ কৰে। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি যোৱা নিশা আঠ বজাত প্ৰমোদে এখন কুঠাৰসহ ৰবদলৈৰ ঘৰত উপস্থিত হয়। অৱশ্যে প্ৰথমে তেওঁ কুঠাৰখন লুকুৱাই ৰাখে। কিছু সময়ৰ পাছত ৰবদলৈৰ পত্নী বীতামণিৰ স'তে তেওঁৰ তৰ্কাতৰ্কি হয়। অৱশেষত তৰ্কাতৰ্কিয়ে চূড়ান্ত ৰূপ ধাৰণ কৰাত প্ৰমোদে মহিলাগৰাকীৰ মূৰত কুঠাৰেৰে আঘাত কৰে। ফলত চিৎকাৰ কৰি মহিলাগৰাকী মাটিত ঢলি পৰে। কিছু সময়ৰ পাছত *আঠ পৃষ্ঠাত চাওক*

তদন্তকাৰী আৰক্ষী-গাঁওৰক্ষী বাহিনীৰ কৰ্মকৰ্তাৰ ষড়যন্ত্ৰৰ অভিযোগ

ছিপাঝাৰৰ ভুৱা হত্যাকাণ্ড ঃ মিছা সাক্ষীদাতাক প্ৰহাৰ ভুক্তভোগীৰ

অগ্রদূত বার্তা

ছিপাঝাৰ, ২৬ এপ্ৰিল ঃ 'ভুৱা হত্যাকাণ্ড'ৰ নাটক ৰচনা কৰা ছিপাঝাৰৰ এজন লোকক কালি হোজাই জিলাত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ পাছত সম্প্ৰতি নতুন মোৰ লৈছে উক্ত ঘটনাই। ছয় পুৰুষ-মহিলাক উক্ত ভুৱা হত্যাকাণ্ডত অভিযুক্ত কৰি কাৰাগাৰলৈ নিক্ষেপ কৰা ঘটনাৰ আঁৰত তদানীন্তন আৰক্ষী বিষয়া আৰু গাঁওৰক্ষী বাহিনীৰ তিনিজন কৰ্মকৰ্তা জড়িত থকাৰ অভিযোগ সম্প্ৰতি উত্থাপিত হৈছে। কোনো ৰহস্যজনক কাৰণত এইসকল দায়িত্বশীল লোকে নিৰপৰাধী ছগৰাকী লোকৰ ওপৰত কোনো নিৰ্দিষ্ট প্ৰমাণ অবিহনে হত্যাৰ ভুৱা গোচৰ জাপি দিয়া বুলি আজি সচেতন ৰাইজে অভিযোগ কৰে। সম্প্ৰতি ছিপাঝাৰ থানাই সমগ্ৰ ঘটনাৰ নতুনকৈ তদন্ত আৰম্ভ কৰাৰ লগতে আদালতত চলি থকা পূৰ্বৰ বিচাৰ প্ৰক্ৰিয়া খাৰিজ কৰাৰ পদক্ষেপ গ্ৰহণ কৰিছে।

উল্লেখ্য যে প্ৰায় দুবছৰৰ *আঠ পৃষ্ঠাত চাওক*

হত্যা নে আত্মহত্যা ?

বিশ্বনাথত ৰহস্যজনক পৰি�ৰেশত বেংক প্ৰৱন্ধকৰ মৃতদেহ উদ্ধাৰ

অগ্রদূত বার্তা

বিশ্বনাথ চাৰিআলি, ২৬ এপ্ৰিল ঃ এক ৰহস্যজনক পৰিৰেশত আজি পুৱা এক্সিছ বেংকৰ বিশ্বনাথ শাখাৰ প্ৰৱন্ধক নৱজিৎ কাকতিৰ ঘৰৰ ভিতৰতে চিপজৰী লৈ ওলমি থকা মৃতদেহ উদ্ধাৰ হয়। বিষয়াজনক বেংক কৰ্তৃপক্ষই গুৱাহাটীলৈ বদলি কৰিছিল আৰু সেইসূত্ৰে তেওঁ আজি নতুন বিষয়াক দায়িত্ব গতাই দিয়াৰ কথা আছিল। কিন্তু এনে অৱস্থাতে তেওঁৰ মৃতদেহ ভাড়াঘৰৰ ভিতৰত ৰহস্যজনক পৰিৰেশত উদ্ধাৰ হয়। অৱশ্যে আৰক্ষীয়ে ঘটনাটো আত্মহত্যা বুলি সন্দেহ কৰিছে। এই খবৰ পাই ঘটনাস্থলীত আৰক্ষী অধীক্ষক উপস্থিত হৈ তদন্ত অব্যাহত *আঠ পৃষ্ঠাত চাওক*

জখলাবন্ধাত মহিলাৰ অৰ্ধগলিত মৃতদেহ উদ্ধাৰ

অগ্রদূত বার্তা

কলিয়াৰৰ, ২৬ এপ্ৰিল ঃ কলিয়াৰৰ মহকুমাৰ জখলাবন্ধাত আজি গেৰাকী মহিলাৰ অৰ্ধগলিত মৃতদেহ উদ্ধাৰ হয়। কলঙৰ পাৰৰ এটা জাবৰৰ দ'মত মহিলাগৰাকীৰ মৃতদেহটো প্ৰত্যক্ষ কৰি স্থানীয় লোকে জখলাবন্ধা আৰক্ষীক অৱগত কৰে। *আঠ পৃষ্ঠাত চাওক*

জ্যেষ্ঠ সাংবাদিক অচ্যুত কুমাৰ পাটোৱাৰীক 'চিত্ৰশিল্পী ৰমেশ চন্দ্ৰ নাথ সোঁৱৰণী বঁটা' আৰু ঋতুস্মিন শৰ্মাক 'নাটকাৰ জগত চন্দ্ৰ গগৈ সোঁৱৰণী সম্বৰ্ধনা' বঁটা প্ৰদান কৰিছে সত্ৰাধিকাৰ ডঁ পীতাম্বৰ দেৱ গোস্বামীয়ে, মহানগৰীত বৃহস্পতিবাৰে।

কালমণি নৈত দুজন যুৱকৰ সলিল সমাধি

অগ্রদূত বার্তা

পলাশবাৰী, ২৬ এপ্ৰিল ঃ কামৰূপ জিলাৰ পলাশবাৰীৰ সুজনপাৰা-বাকাৰাপাৰাৰ কালমণি নৈত আজি দুজন যুৱকৰ সলিল সমাধি ঘটে। যুৱক দুজনে গা ধোৱাৰ উদ্দেশ্যে নৈত নমাৰ লগে লগে পানীত ডুব যায়। তেওঁলোকৰ স'তে থকা আন এজন যুৱকৰ সৌভাগ্যবশতঃ প্ৰাণৰক্ষা পৰে। অকাল মৃত্যুমুখত পৰা যুৱকদ্বয়ক গুৱাহাটীৰ নুনমাটিৰ ছাহিল শৰ্মা (২৫) আৰু আজাৰাৰ দীপজ্যোতি পাটগিৰি (২৬) বুলি চিনাক্ত কৰা হৈছে। পাছত আৰক্ষীয়ে মৃতদেহ দুটা উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে লৈ যায়। আনহাতে, প্ৰাণৰক্ষা পৰা যুৱকজনৰ নাম *আঠ পৃষ্ঠাত চাওক*

ব্ৰহ্মপুত্ৰত ডুবিল ভ্ৰাম্যমাণ চিকিৎসা সেৱাৰ নৌকা

সাঁতুৰি প্ৰাণৰক্ষা কৰিলে পাঁচ চিকিৎসাকৰ্মীয়ে

গৰৈমাৰী, ২৬ এপ্ৰিল ঃ প্ৰৱল ধুমুহাৰ কবলত পৰি এক ভয়াৰহ ঘটনাৰ পৰা কথামপি ৰক্ষা পৰিল পাঁচজন চিকিৎসাকৰ্মী। কামৰূপ জিলাৰ ছয়গাঁও সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীৰ বাতাহিদিয়া চৰৰ সমীপত ধুমুহাৰ কবলত পৰি কালি বিয়লিৰ ভাগত ভ্ৰাম্যমাণ চিকিৎসা সেৱাৰ এখন নৌকা ডুব যায়। অৱশ্যে নাওখনত থকা চিকিৎসাকৰ্মীসকলে সাঁতুৰি পাৰলৈ আহি প্ৰাণৰক্ষা কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ তৰফৰ পৰা সম্প্ৰতি ব্ৰহ্মপুত্ৰৰ দুয়োপাৰৰ লগতে চৰাঞ্চলৰ ৰাইজৰ চিকিৎসাৰ সুবিধাৰ বাবে ভ্ৰাম্যমাণ চিকিৎসা সেৱাৰ ব্যৱস্থা কৰিছে। সেই উপলক্ষে কালি আবেলি ভ্ৰাম্যমাণ নৌকা চিকিৎসালয়খনে *আঠ পৃষ্ঠাত চাওক*

কচুগাঁৱত প্ৰেমৰ ছলনাৰে যুৱতীৰে অবৈধ সম্পৰ্ক ঃ গ্ৰেপ্তাৰ পূজাৰী

অগ্রদূত বার্তা

শ্ৰীৰামপুৰ, ২৬ এপ্ৰিল ঃ নাবী-শিশুৰ ওপৰত চলোৱা অত্যাচাৰ তথা ধৰ্ষণ কাণ্ডই দেশজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰা সময়তে মন্দিৰৰ পূজাৰী এজন ধৰ্ষণ আৰু প্ৰতাৰণাৰ অভিযোগত গ্ৰেপ্তাৰ হয়। গোসাঁইগাঁও মহকুমাত প্ৰেমৰ ছলনা আৰু বিবাহৰ প্ৰতিশ্ৰুতিৰে দীৰ্ঘদিন ধৰি যৌন সম্পৰ্ক ৰক্ষা কৰি এগৰাকী পিতৃ-মাতৃহীন যুৱতীক প্ৰৱঞ্চনা কৰাৰ অভিযোগত আৰক্ষীৰ জালত পৰিল গোসাঁইগাঁও মহকুমাৰ কচুগাঁৱৰ *আঠ পৃষ্ঠাত চাওক*

হাজোত পথ দুৰ্ঘটনাত আহতৰ মৃত্যু

অগ্রদূত বার্তা

হাজো, ২৬ এপ্ৰিল ঃ দুৰ্ঘটনাপ্ৰৱণ অঞ্চলৈ ক্ৰমশ পৰ্যবসিত হাজো-নলবাৰী-গুৱাহাটী পথৰ অভয়পুৰত কালি সংঘটিত এক পথ দুৰ্ঘটনাত গুৰুতৰভাৱে আহত এজন স্কুটী আৰোহীৰ আজি দুপৰীয়া চিকিৎসাধীন অৱস্থাতে মৃত্যু হয়। অকাল মৃত্যুক সাৰটি লোৱা স্কুটী আৰোহীজন হাজো আৰক্ষী থানাৰ অৰ্ন্তত বৰ্ণি-শান্তিপুৰৰ আলটাফ হুছেইন (৬১)। উল্লেখ্য যে ওৱাৰলেচৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী তথা চাৰিটাকৈ সন্তানৰ পিতৃ আলটাফে কালি পুৱা *আঠ পৃষ্ঠাত চাওক*

যোৰহাটত শিক্ষক বদলিৰ নামত অনিয়ম

ষ্টাফ ৰিপৰ্টাৰ

যোৰহাট, ২৬ এপ্ৰিল ঃ শিক্ষামন্ত্ৰী ডঁ হিমন্ত বিশ্ব শৰ্মাই শিক্ষক বদলিকৰণৰ নতুন নিয়ম বান্ধি দিছে যদিও তেওঁৰ বিভাগতে একাংশ কৰ্মচাৰীয়ে চোৰাংচৈ শিক্ষক বদলিকৰণ কৰি মন্ত্ৰীৰ নিৰ্দেশনাক উপলুঙা কৰিছে। এই

দিব্যাংগ শিক্ষককো দূৰণিলৈ বদলি

অভিযোগ উঠিছে যোৰহাটত। যোৰহাট জিলা প্ৰাথমিক শিক্ষা বিষয়াগৰাকীৰ সম্পূৰ্ণ অজ্ঞাতে প্ৰাথমিক শিক্ষক বিভাগৰ সঞ্চালকৰ কাৰ্যালয়ে মাজুলীৰ পৰা তিনিজন শিক্ষকক যোৰহাটলৈ বদলি কৰাৰ লগতে দুজনমান দিব্যাংগ শিক্ষকক ঘৰৰ পৰা বহু দূৰলৈ বদলি কৰাবো অভিযোগ উঠিছে। উত্থাপিত অভিযোগ অনুসৰি ছাত্ৰ আৰু শিক্ষকৰ অনুপাতৰ ভিত্তিত *আঠ পৃষ্ঠাত চাওক*

তিনি নাবালিকা ধৰ্ষণকাৰীক যাৱজ্জীৱন কাৰাদণ্ড

অগ্রদূত বার্তা

উত্তৰ গুৱাহাটী, ২৬ এপ্ৰিল ঃ নাবালিকা ধৰ্ষণকাৰীৰ বিৰুদ্ধে আজি দুটাকৈ দৃষ্টান্তমূলক ৰায়দান কৰিলে আমিনগাঁওস্থিত কামৰূপ সত্ৰ ন্যায়াধীশৰ আদালতে। দুটাকৈ নাবালিকা ধৰ্ষণৰ গোচৰৰ ৰায়দান কৰি সত্ৰ ন্যায়াধীশ এ এফ এ ৰবাৰ বিচাৰপীঠে তিনিজন অভিযুক্তক দোষী সাব্যস্ত কৰি যাৱজ্জীৱন কাৰাদণ্ড বিহে। আজি বিশেষ শিতানৰ আদালতৰ শুনানিমর্মে পক্ষ' আইনৰ অধীনত

কামৰূপ সত্ৰ ন্যায়াধীশৰ আদালতৰ উল্লেখনীয় ৰায়

কামৰূপ জিলাৰ পলাশবাৰীৰ পশ্চিম মাণিকপুৰৰ সঞ্জীৰ ৰাভা আৰু লোহাৰঘাটৰ নীলকমল ৰাভাক যাৱজ্জীৱন কাৰাদণ্ড বিহে। ইপিনে, বকো থানাত পঞ্জীয়ন হোৱা ১৬/১৪ নম্বৰৰ গোচৰৰ বিচাৰৰ অন্তত বকোৰ দেৰিমাগাঁৱৰ তৰণীকান্ত ৰাভাক একেখন বিশেষ আদালতে দোষী সাব্যস্ত কৰি যাৱজ্জীৱন কাৰাদণ্ডৰ ৰায় দিয়ে। এই দুয়োটা গোচৰতে চৰকাৰী পক্ষৰ হৈ যুক্তি প্ৰদৰ্শন কৰে প্ৰীতিশ্ৰী ডেকাই।

চিৰাঙৰ কৰ্তব্যত গাফিলতি কৰা চাৰিগৰাকী শিক্ষক-শিক্ষয়িত্ৰীৰ দৰমহা কৰ্তন

অগ্রদূত বার্তা

গৰুভাষা, ২৬ এপ্ৰিল ঃ কৰ্তব্যত অবহেলা কৰাৰ বাবে আজি চিৰাং জিলা শিক্ষা বিষয়া তথা স্কুলসমূহৰ পৰিদৰ্শক জয়পাল সিং ব্ৰহ্মই দুখন বিদ্যালয়ৰ চাৰি শিক্ষক-শিক্ষয়িত্ৰীক কৈফিয়ৎ তলৰ কৰাৰ লগতে দৰমহা কৰ্তনৰ নিৰ্দেশ জাৰি কৰিছে। যি সময়ত সপ্তম দৰমহা আয়োগ গঠনেৰে ৰাজ্য চৰকাৰে কৰ্মচাৰীসকলৰ দৰমহা বহু পৰিমাণে বৃদ্ধি কৰিছে সেই সময়তো একাংশ কৰ্মচাৰীয়ে কৰ্তব্যত চূড়ান্ত গাফিলতি প্ৰদৰ্শন কৰি আহিছে। এই সন্দৰ্ভত লাভ কৰা বিভিন্ন অভিযোগৰ ভিত্তিত কালি আৰু আজি জিলা স্কুলসমূহৰ পৰিদৰ্শক তথা জিলা শিক্ষা বিষয়া ব্ৰহ্মই জিলাখনৰ কে'বাখনো শিক্ষানুষ্ঠানত আকস্মিকভাৱে পৰিদৰ্শন কৰে। তেতিয়াই শিক্ষক-শিক্ষয়িত্ৰীসকলৰ নীতিবহির্ভূতভাৱে কৰ্তব্যত গাফিলতি কৰাটো পোহৰলৈ আহে। অভিযোগ মতে, উত্তৰ উৰাংবস্তি এল পি স্কুলৰ প্ৰধান শিক্ষক ভৰনন্দ ৰায় বহু দিন ধৰি দিনৰ ১১ বজাৰ পাছতহে স্কুলত *আঠ পৃষ্ঠাত চাওক*

দক্ষিণ কামৰূপৰ দলৈ সুঁৰৰী উৎসৱত হাতী-ঘোঁৰা দৌৰ

অগ্রদূত বার্তা

পলাশবাৰী, ২৬ এপ্ৰিল ঃ দক্ষিণ কামৰূপৰ অসম-মেঘালয় সীমান্তৰ ৰবদুৱাৰ আৰু দক্ষিণ ভোলাগাঁও মৌজাৰ মুদুকী অঞ্চলৰ ৰাইজে পৰম্পৰা অনুসৰি অতীজৰে পৰা প্ৰতি বছৰে ১২ ব'হাগৰ দিনটোত দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰি আহিছে দলৈ সুঁৰৰী উৎসৱ। বিগত বৰ্ষবোৰৰ দৰে এইবেলিও আজি *আঠ পৃষ্ঠাত চাওক*

সোঁতৰ বিপৰীতে

ওদালগুৰিত বন্যহস্তীৰ আক্ৰমণত বাছ চালকৰ মৃত্যু

বন বিভাগৰ বিৰুদ্ধে প্ৰতিবাদ ক্ষুব্ধ ৰাইজৰ

অগ্রদূত বার্তা

ওদালগুৰি/গোৰেশ্বৰ, ২৬ এপ্ৰিল ঃ ওদালগুৰি জিলাত হস্তী-মানৱৰ সংঘাত অব্যাহত থকাৰ মাজতে আজি পুৱতি নিশা বনৰীয়া হাতীৰ আক্ৰমণ এজন লোকে প্ৰাণ হেৰুৱাবলগীয়া হয়। এই আক্ৰমণত আন এজন লোক গুৰুতৰভাৱে আহত হয়। এই ঘটনাক কেন্দ্ৰ কৰি বন বিভাগে আওকণীয়া মনোভাৱ পোষণ কৰাৰ প্ৰতিবাদত আজি স্থানীয় ৰাইজে তীব্ৰ প্ৰতিবাদ জনোৱাৰ লগতে পৰিস্থিতি উত্তপ্ত কৰি তোলে। এটা বন্যহস্তীয়ে অঞ্চলটোত সন্ত্ৰাস চলাই থকা ৰাইজে অৱগত কৰাৰ পাছতো বন বিভাগে কোনো পদক্ষেপ গ্ৰহণ নকৰাৰ বাবেই টায়াৰ জ্বলাই প্ৰতিবাদ সাব্যস্ত কৰে। সমগ্ৰ ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোত এতিয়াও উত্তেজনা *আঠ পৃষ্ঠাত চাওক*

মৰিয়নি-কঠিয়াতলিত পৃথক দুৰ্ঘটনাত নিহত তিনি

অগ্রদূত বার্তা

মৰিয়নি/কঠিয়াতলি, ২৬ এপ্ৰিল ঃ মৰিয়নি আৰু কঠিয়াতলিত সংঘটিত দুটা পৃথক দুৰ্ঘটনাত বিগত ২৪ ঘণ্টাত তিনিজন লোকৰ মৃত্যু হয়। যোৱা নিশা মৰিয়নিত দুজন মটৰ চাইকেল আৰোহীয়ে প্ৰাণ হেৰুৱায়। আনহাতে, আজি নগাঁও জিলাৰ কঠিয়াতলিত এখন দ্ৰুতবেগী বাহনে এজন চাইকেল আৰোহীক মহটিয়াই নিয়ে। ঘটনাৰ বিৱৰণি অনুসৰি, মৰিয়নি থানাৰ অন্তৰ্গত নাগাজাংকা অঞ্চলত যোৱা নিশা প্ৰায় ১২ বজাত এক ভয়াৰহ দুৰ্ঘটনা সংঘটিত হয়। বছাগাঁৱত কেন বিবাহস্থলীৰ পৰা মৰিয়নিৰ দিশে দ্ৰুতবেগত আহি থকা অৱস্থাত এ এছ-০৩ ভি-৩৪৩১ নম্বৰৰ কে চি এম মটৰ চাইকেলখনে নিয়ন্ত্ৰণ হেৰুৱাই বাগৰি পৰে। আবক্ষী সূত্ৰই জনোৱা মতে, দুৰ্ঘটনাটো ইমানেই ভয়াৰহ আছিল যে এজন *আঠ পৃষ্ঠাত চাওক*

SBI
ভাৰতীয় ষ্টেট বেঙ্ক
চেণ্ট্ৰেল ৰিক্ৰুইটমেণ্ট এণ্ড প্ৰমোচন
ডিপাৰ্টমেণ্ট, কৰ্পোৰেট চেণ্টাৰ, মুম্বাই

প্ৰবেশ্যনেবী অফিছাৰৰ পদত ভৰ্তিকৰণ

ভাৰতীয় ষ্টেট বেঙ্কত প্ৰবেশ্যনেবী অফিছাৰৰূপে নিযুক্তিৰ বাবে অৰ্হতাসম্পন্ন ভাৰতীয় নাগৰিকৰ পৰা আৱেদনপত্ৰৰ আহ্বান জনোৱা হৈছে।

খালী পদৰ সংখ্যা: 2000

যোগ্যতাৰ মানদণ্ড (বয়স, অৰ্হতা আদি), প্ৰয়োজনীয় ফিজ আৰু অন্যান্য বিৱৰণ আদি চাব পৰা যাব আমাৰ বেঙ্কৰ ৱেবচাইট https://bank.sbi/careers বা https://www.sbi.co.in/careers-ৰ অন্তৰ্গত থকা আমাৰ বিজ্ঞাপন নং CRPD/PO/2018-19/01-ত, লগতে এটা লিঙ্ক দিয়া হৈছে অনলাইনযোগে আৱেদনপত্ৰ দাখিল কৰিবলৈ আৰু আৱেদন ফিজ পৰিশোধ কৰিবলৈ। আৱেদন জনোৱাৰ আৰু ফিজ ভৰাৰ আগতে যোগ্যতাৰ মানদণ্ড, খালী পদ আদি বিস্তাৰিত বিজ্ঞাপনত এবাৰ ভালকৈ চাই লবলৈ প্ৰাৰ্থী সকলৰে পৰামৰ্শ আৰু অনুৰোধ জনোৱা হ'ল।

অনলাইনযোগে ৰেজিষ্টাৰ কৰাৰ আৰু ফিজ ভৰাৰ তাৰিখ:
21.04.2018-ৰ পৰা 13.05.2018 লৈকে

যিকোনো অনুসন্ধানৰ বাবে ওপৰত উল্লেখিত বেঙ্কৰ ৱেবচাইটত উপলব্ধ "CONTACT US" লিঙ্কৰ জৰিয়তে অনুগ্ৰহ কৰি আমালৈ লিখক।

স্থান: মুম্বাই
তাৰিখ: 21.04.2018
জেনেৰেল মেনেজাৰ (CRPD)

GNRC Quality • Value • Trust
স্বাস্থ্য-বার্তা

আপোনাৰ চহৰত জিএনআৰচিৰ অ'পিডি সেৱা

২৭ এপ্ৰিল
ল'ৰাৰ আছাম হাস্পতাল, বঙাইগাঁও
ডাঃ কৃষ্ণ চন্দ্ৰ নাৰ্জাৰী (হৃদ্‌ৰোগ বিশেষজ্ঞ)
হৃদ্‌ৰোগৰ লক্ষণবোৰ ঃ বুকুৰ বিষ, ক্ষীপ্ৰ হৃদ্ স্পন্দন, শ্বাস-প্ৰশ্বাসৰ অসুবিধা, যক্ষ্মা, উচ্চ কলেষ্টেৰ'ল, উচ্চ ৰক্তচাপ, হৃদ্‌যন্ত্ৰ আৰু ৰক্তবাহী নলীৰ ৰোগ।

২৮ এপ্ৰিল
দেৱ্‌চনছ নাৰ্ছিংহোম, মঙলদৈ
ডাঃ প্ৰবীৰ কুমাৰ গুপ্তা (হৃদ্‌ৰোগ বিশেষজ্ঞ)
হৃদ্‌ৰোগৰ লক্ষণবোৰ ঃ বুকুৰ বিষ, ক্ষীপ্ৰ হৃদ্‌স্পন্দন, শ্বাস-প্ৰশ্বাসৰ অসুবিধা, যক্ষ্মা, উচ্চ কলেষ্টেৰ'ল, উচ্চ ৰক্তচাপ, হৃদ্‌যন্ত্ৰ আৰু ৰক্তবাহী নলীৰ ৰোগ

যোগাযোগৰ নম্বৰ
7002770765
info@gnrchospitals.com www.gnrchospitals.com